**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

ৰাজ্য চৰকাৰে ঔদ্যোগীক অংশীদাৰ ফিক্কিৰ সহযোগত আজি মুম্বাইত এটা বিশেষ ৰোড শ্ব'ৰ আয়োজন কৰিছে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৰাজ্যখনত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ এডভাণ্টেজ আছাম বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলন ২০২৫ৰ এটি পূৰ্বভাষৰূপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ৰোড শ্ব'ৰ নেতৃত্ব দিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। ড০ শৰ্মাই এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে টাটা গোট, লাৰ্ছেন এণ্ড টাৰ্বো, মহিন্দ্ৰা গোট আৰু আদানী এয়াৰপোৰ্টৰ দৰে বিশিষ্ট উদ্যোগপতি আৰু উদ্যোগজগতৰ কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ উপৰি ছান ফাৰ্মা, লক্ষ্মী টি, H U L, ৰেলস্পুন গ্ৰুপ আৰু আন আন প্ৰতিষ্ঠানৰ নেতাসকলকৰ সৈতে অসমত কৌশলগত বিনিয়োগৰ বাবে উপায় বিচাৰি তেওঁ আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিস্তৃত বিনিয়োগ সম্ভাৱনা উদঘাটন কৰাৰ বাবে সহায় আগবঢ়াবলৈও তেওঁলোকক অনুৰোধ জনায়। ড০ শৰ্মাই কালি এইচ ডি এফ চি বেংকৰ মুখ্য কাৰ্যবাহী বিষয়া শশীধৰ জগদিশনক সাক্ষাৎ কৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাক অগ্ৰাধিকাৰ দি ৰাজ্যখনৰ অৰ্থনীতি সবল কৰাৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে তেওঁক অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে দক্ষ আৰু অনুশাসন মানি চলা কৰ্মশক্তিৰ জৰিয়তে দেশৰ ক্ৰমবৰ্ধমান বেংকিং উদ্যোগক কেইবাটাও সুযোগ প্ৰদান কৰি আহিছে।

০০০০০০

ৰাজ্যৰ ১১ খন জিলাত গুণোৎসৱ ২০২৫ৰ কাৰ্যসূচী আজি আৰম্ভ হ'ব। প্ৰথম দিনাৰ কাৰ্যসূচীত বিদ্যালয়সমূহত স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৯ জানুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। ১১ খন জিলাত ১৬ হাজাৰ ৫৬ খন চৰকাৰে প্ৰাদেশীকৃত আদৰ্শ বিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় আৰু চাহ বাগিচাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়ক সামৰি লোৱা হ'ব। গুণোৎসৱত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১৪ লাখ ১১ হাজাৰ ৮৭৮ গৰাকী শিক্ষাৰ্থীৰ মূল্যায়ণ কৰা হ'ব। গুণোৎসৱত ৬ হেজাৰ ৩৬৫ গৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক, কাৰ্যনিৰ্বাহক সদস্যৰ উপৰি চৰকাৰী বিষয়াই বহিঃমূল্যায়ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০

অসম চৰকাৰে অহা ১৭ জানুৱাৰীত চলিত বছৰৰ শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি শিল্প সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিক শিল্পী বঁটা, নটসূৰ্য ফণী শৰ্মা বঁটা আৰু সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটাৰে সন্মানিত কৰিব।

বিশিষ্ট কণ্ঠশিল্পী ড০ অনিমা চৌধুৰী আৰু লোকশিল্পী মুকুল ৰাভাক ২০২৫ বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰা ড০ অনিমা চৌধুৰী আকাশবাণী আৰু দূৰদৰ্শনৰ এ-গ্ৰেড স্বীকৃতিপ্ৰাপ্ত শিল্পী। তেওঁ অসমৰ লোক গীত-মাতসমূহ সুৰদি কণ্ঠৰেৰে পৰিৱেশন কৰি শ্ৰোতা ৰাইজক মুগ্ধ কৰি আহিছে। একেদৰে কেইবাখনো ৰাভা লোক সংগীতৰ শ্ৰব্য গীতৰ সঁফুৰাত কণ্ঠদান কৰা মুকুল ৰাভাই ৫খন গ্ৰন্থ ৰচনাৰে সাহিত্যৰ ভঁৰালো সমৃদ্ধ কৰিছে।

২০২৪ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ আগবঢ়োৱা হ'ব। ভালেসংখ্যক চলচ্চিত্ৰত অভিনয়েৰে দৰ্শকৰ সুপৰিচিত ৰেবা ফুকনে ভ্ৰাম্যমান নাটকত শক্তিশালী অভিনয়েৰে অগণন দৰ্শকক মোহিত কৰি ৰাখিছে। সাহিত্যচাৰ্য অতুল চন্দ্ৰ বঁটা প্ৰবীন অভিনেত্ৰী হিৰা নেওগক প্ৰদান কৰা হ'ব। অভিনেত্ৰীগৰাকীয়ে কেইবাখনো অসমীয়া চলচ্চিত্ৰ আৰু নাটকত অনবদ্য অভিনয়েৰে ৰাজ্যখনৰ অভিনয়ক্ষেত্ৰক সমৃদ্ধ কৰিছে। ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মক প্ৰদান কৰা হ'ব।

০০০০০০

বিশ্ব সাংস্কৃতিক ঐতিহ্য চৰাইদেউ মৈদাম ক্ষেত্ৰত লোককৃষ্টি গৱেষণা উন্নয়ন সমিতি, চৰাইদেউবাসী আৰু অসম চৰকাৰৰ সহযোগত অহা ৯ জানুৱাৰীৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ ২০২৫ উদযাপন কৰা হ'ব। ৯ জানুৱাৰীৰ পুৱা চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱে মহোৎসৱৰ মুখ্য তোৰণ মুকলি কৰি এই মহোৎসৱৰ শুভাৰম্ভ কৰিব। দিনৰ ১০ বজাত ধৰ্মীয় পৰম্পৰাগত নীতিৰে টাই ম'লুংসকলৰ দ্বাৰা বান-ফি আৰম্ভ কৰা হ'ব। মহোৎসৱত গ্ৰন্থ-বস্ত্ৰ মেলা, কৃষি মেলাৰ লগতে ভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। লোককৃষ্টি গৱেষণা আৰু উন্নয়ন সমিতিয়ে মহাবীৰ লাচিত বৰফুকন শীৰ্ষক এখন বুৰঞ্জীমূলক নাটক মঞ্চস্থ কৰিব। পৰম্পৰাগত খেল ধেমালি প্ৰতিযোগিতা, মাৰাথন দৌৰ প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা আদিৰো আয়োজন কৰা হৈছে। এই মহোৎসৱত ৰাজ্য চৰকাৰৰ কেইবাজনো মন্ত্ৰীৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

বড়ো সাহিত্য সভাই বিগত বৰ্ষৰ ৰাংচাৰ সাহিত্যিক বঁটাৰ বাবে দতমাৰ বাসিন্দা থৰাইনা সহায়সুলি ব্ৰহ্মৰ নাম ঘোষণা কৰিছে। বড়ো সাহিত্য সভাৰ এখন বিজ্ঞপ্তিত কালি এই কথা প্ৰকাশ কৰাৰ লগতে গুৱাহাটীৰ শিলপুখুৰী নিবাসী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক গংগাধৰ ৰামচিয়াৰীলৈ সোমেশ্বৰী ব্ৰহ্ম থুনলাই আৰি বঁটা, গোৱালপাৰাৰ ভূপেন দৈমাৰীলৈ ছানজাৰাং লক্ষেশ্বৰ ব্ৰহ্ম সাংস্কৃতিক বঁটা, গুৱাহাটী নুনমাটিৰ ৰত্নেশ্বৰ বসুমতাৰীলৈ সৰবাং সুবুং বিহুৰাম বড়ো সাহিত্যিক বঁটা, বাক্সাৰ কনক ৰামচিয়াৰীলৈ হাব্ৰাঘাট বঁটা আৰু কোকৰাঝাৰৰ হল্টুগাঁও নিবাসী বিদাং মুছাহাৰীক সুবুংথিনি থান্দৈ ছহিদ বিনেশ্বৰ ব্ৰহ্ম মাউৰিয়া-হাউৰিয়া বঁটা প্ৰদান কৰা হ'ব বুলি জনোৱা হৈছে। একেদৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক স্বৰ্ণপ্ৰভা চৈনাৰীক ৰাজেন্দ্ৰলাল নাৰ্জাৰী সাহিত্যিক বঁটাৰ বাবে মনোনীত কৰাৰ লগতে পৰীক্ষাত সফলতা প্ৰদৰ্শন কৰা একাধিক কৃতি ছাত্ৰ-ছাত্ৰীকো উদগণিমূলক বঁটা প্ৰদান কৰা হ'ব বুলি বিজ্ঞপ্তিখনত প্ৰকাশ পাইছে। বড়ো সাহিত্য সভাৰ সমাগত ডিমাকুছি অধিৱেশনত এই বঁটাসমূহ প্ৰদান কৰা হ'ব।

০০০০০০

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অহা ২৪ ফেব্ৰুৱাৰীত ৮ হাজাৰ শিল্পীৰ অংশগ্ৰহণেৰে ঝুমুৰ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে প্ৰদৰ্শন কৰিবলগীয়া চাহ জনগোষ্ঠীয় লোকনৃত্য ঝুমুৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব। কালি এখন সংবাদমেলত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই এই

কথা প্ৰকাশ কৰি কয়, যে ইতিমধ্যে ঝুমুৰ নৃত্যৰ বাবে গীত বাণীবদ্ধ কৰা হৈছে। আজিৰ পৰা তিনিদিনীয়াকৈ মাষ্টাৰ প্ৰশিক্ষকৰ প্ৰশিক্ষণ আৰম্ভ হ'ব। এই প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষকসকলে ২০ৰ পৰা ৩০ জানুৱাৰীলৈ প্ৰতিটো সমষ্টিত শিল্পীৰ বাছনি কৰিব। পৰৱৰ্তী সময়ত জিলা পৰ্যায়ত এই নৃত্যৰ অনুশীলন হ'ব। ৰাজ্যৰ ৮০০ খন চাহ বাগিচাৰ প্ৰায় ৮ হাজাৰ নিৰ্বাচিত শিল্পীক ১৯, ২০ ফেব্ৰুৱাৰীত গুৱাহাটীলৈ লৈ অহা হ'ব। ২১ আৰু ২২ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত প্ৰশিক্ষকসকলৰ উপস্থিতিত ঝুমুৰ নৃত্যৰ অনুশীলন কৰা হ'ব। অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত এই নৃত্যৰ প্ৰদৰ্শনীৰে গিনিজ ৱৰ্ল্ড ৰেকৰ্ডছত নাম লিপিবদ্ধ কৰাৰ প্ৰয়াস কৰা হ'ব বুলি মন্ত্ৰী বৰাই জানিবলৈ দিয়ে।

০০০০০০

অসম প্ৰকাশন পৰিষদ তথা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাৰ আজি একাদশ দিন। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি আজিও বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। দিনৰ ভাগত **উপন্যাস সাহিত্য ঃ তত্ব, শৈলী আৰু বিষয়বস্তু** শীৰ্ষক এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। আলোচনা সত্ৰখনত কেইবাগৰাকীও বিশিষ্ট সাহিত্যিক উপস্থিত থাকিব। বিয়লি হ'বলগীয়া কবি সন্মিলনখনত কবি আনিছ উজ জামানকে আদি কৰি ন-পুৰণি কেইবাগৰাকীও কবিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। বিগত দিনকেইটাত গ্ৰন্থমেলাত হোৱা গ্ৰন্থপ্ৰেমীৰ সমাগম, গ্ৰন্থ বিক্ৰী আৰু বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত আমাক সবিশেষ জনাইছে গ্ৰন্থমেলাৰ এগৰাকী উদ্যোক্তা তথা পুথি প্ৰকাশক ধীৰাজ গোস্বামীয়ে-

**বাইট (ধীৰাজ গোস্বামী)**

উল্লেখযোগ্য যে যোৱা ২৭ ডিচেম্বৰত আৰম্ভ হোৱা অসম গ্ৰন্থমেলাৰ কাইলৈ সামৰণি পৰিব।

০০০০০০

চৰাইদেউ জিলাৰ সোণাৰিৰ ভোজো মাজ পথাৰত তিনি দিনীয়া কাৰ্যসূচীৰে আয়োজিত টাই-আহোম যুৱ পৰিষদৰ ষষ্ঠ কেন্দ্ৰীয় অধিৱেশনৰ কালি সামৰণি পৰে। কালিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰে। নিজৰ ভাষণত শ্ৰী মাৰ্ঘেৰিটাই কয়, যে বহু বীৰ বীৰাংগণাৰ বীৰত্বৰ স্মৃতি গাঁথা, সংগ্ৰাম তথা শৌৰ্য্য-বীৰ্যৰে আহোমৰ ইতিহাস সমৃদ্ধ। এনে চহকী ইতিহাসৰ সংৰক্ষণ আৰু সন্মানাৰ্থে অসম চৰকাৰে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। অন্তিম দিনা সোণাৰী ৰাজহুৱা খেলপথাৰৰ পৰা বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। নিশাৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। তিনি দিনীয়াকৈ অনুষ্ঠিত হোৱা অধিৱেশনৰ প্ৰতিনিধি সভা আৰু বিষয় বাচনি সভাৰ সিদ্ধান্ত অনুসৰি ৫১ জনীয়া সদস্যৰে নতুন কাৰ্য নিৰ্বাহক সমিতি গঠন কৰা হয়।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ তৰাণী কল্যাণপুৰত গোলাঘাট আৰক্ষীয়ে নিশা অভিযান চলাই বিনোদ বৰুৱা নামৰ এজন লোকৰ বাসগৃহৰ পৰা এটা গঁড়ৰ খৰ্গসহ চাৰিজন সন্দেহযুক্ত সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীৰ অভিযানত জব্দ কৰা খৰ্গটোৰ ওজন প্ৰায় ডেৰ কিলোগ্ৰাম বুলি জানিব পৰা গৈছে। আটক কৰা সন্দেহযুক্ত সৰবৰাহকাৰীকেইজনৰ নাম বিনোদ বৰুৱা, ফাৰুক আলী, নুৰ জামান আৰু ৰূপম বৰুৱা বুলি আৰক্ষীয়ে সদৰি কৰিছে।

০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ বেটবাৰী কাকতিগাঁৱত এঘৰ লোকৰ চৌহদৰ ভিতৰত স্থাপন কৰা ডিজেলভৰ্তি এটা চিনটেক্সৰ পৰা এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। শিৱসাগৰ সদৰ আৰক্ষী আৰু দণ্ডাধীশৰ উপস্থিতিত উদ্ধাৰ কৰা মৃতদেহটো বেটবাৰী কাকতিগাঁৱৰ ক্ষণিক বৰুৱাৰ বুলি চিনাক্ত কৰা হৈছে। ঘটনা সন্দৰ্ভত শিৱসাগৰ আৰক্ষীয়ে তদন্ত চলাই আছে।

০০০০০০

টাই-আহোম উন্নয়ন পৰিষদৰ উদ্যোগত কালি শিৱসাগৰ জিলাৰ মাদুৰিত জয়মতী স্মৃতিক্ষেত্ৰৰ লাইখুঁটা স্থাপন কৰা হয়। এই অনুষ্ঠানত ভাগ লৈ ৰাজ্যসভাৰ সদস্য তথা কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয়, যে জয়মতী কেৱল আহোমৰেই নহয়, সমগ্ৰ অসমীয়া জাতিৰ শ্ৰদ্ধেয় এক সত্বা। ইয়াৰ পূৰ্বে বিজেপি দলৰ বাহিৰে আন কোনো ৰাজনৈতিক দলে দিল্লীত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি স্থাপন কৰি বিশ্বৰ সন্মুখত জিলিকাই ৰখা, দেশৰ আন ঐতিহাসিক আৰু সাংস্কৃতিক স্থানৰ লগতে চৰাইদেউলৈ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদান কৰা নাছিল বুলিও মন্ত্ৰী মাৰ্ঘেৰিটাই উল্লেখ কৰে। প্ৰাৰম্ভিকভাৱে মহীয়সী জয়মতী কুঁৱৰী স্মৃতিক্ষেত্ৰ নিৰ্মাণৰ বাবে ৫০ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰিয়ে স্থান পাইছে।

ৰাজ্যত বিনিয়োগৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি মুম্বাইত দেশৰ ব্যৱসায়িক ক্ষেত্ৰৰ কেইবাগৰাকীও গুৰুত্বপূৰ্ণ ব্যক্তিক সাক্ষাৎ কৰি অসমত তেওঁলোকৰ বিনিয়োগ পৰিকল্পনা আৰু অন্যান্য দিশসমূহ আলোচনা কৰে। এই বাতৰিটো **আমাৰ অসম** কাকতে **বিনিয়োগ বিচাৰি মুম্বাইত শিল্পপতিৰে বৈঠক মুখ্যমন্ত্ৰীৰ** শিৰোনামেৰে আলোকচিত্ৰসহ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে Advantage Assam roadshow in Mumbai Today শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

বিগত ১০ দিনতকৈ অধিক দিন ধৰি গুৱাহাটী মহানগৰৰ লগতে ৰাজ্যৰ প্ৰধান চহৰসমূহত বায়ুৰ গুণগত মান নিম্নগামী হোৱাৰ ফলত প্ৰদূষণ বৃদ্ধি পোৱাৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতে **ৰাজ্যত ভয়াবহ বায়ু প্ৰদূষণ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বৃদ্ধাৱস্থাত অকলশৰীয়া হৈ পৰা অভিভাৱকক সকাহ দি উচ্চতম ন্যায়ালয়ে এটা গুৰুত্বপূৰ্ণ ৰায় প্ৰদান কৰিছে। এই ৰায় অনুসৰি যদিহে সন্তানে পিতৃ-মাতৃক চোৱা-চিতা নকৰে তেন্তে পিতৃ-মাতৃয়ে সন্তানক দিয়া সম্পত্তি তথা আন উপহাৰ ঘূৰাই ল'ব পাৰিব। এই বাতৰিটো দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসম চৰকাৰে অহা ১৭ জানুৱাৰীত চলিত বছৰৰ শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি শিল্প-সংস্কৃতি আৰু সমাজ জীৱনলৈ অনবদ্য অৱদান আগবঢ়োৱা ৫ গৰাকী বিশিষ্ট ব্যক্তিক শিল্পী বঁটা, নটসূৰ্য ফণী শৰ্মা বঁটা আৰু সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটাৰে সন্মানিত কৰিব। এই বাতৰিটোক **অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ন্যায়ালয়ে পূৰ্বে কেইবাবাৰো সতৰ্ক কৰাৰ পাছতো ৰাজ্য চৰকাৰে জনজাতীয় খণ্ড আৰু বেল্টনি মাটিৰ জৰীপ আৰু বেদখল সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰিবলৈ অপাৰগ হোৱাৰ বাতৰিটো দৈনিক অসম কাকতে **১২ জিলাত ৫ লাখ বিঘা মাটিত বেদখল** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকণ।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ভাৰতৰ আনাহত সিঙে ইংলেণ্ডৰ বাৰ্মিংহামত অনুষ্ঠিত ব্ৰিটিছ জুনিয়ৰ অ'পেন স্কোৱছ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে ।কালি ১৭ বছৰ অনুৰ্ধৰ ছোৱালীৰ একক খিতাপৰ ছেমি ফাইনেলত অনাহত সিঙে ইজিপ্তৰ ৰুকায়া চেলেমক ৩-১ ফলাফলত পৰাস্ত কৰে। ফাইনেলত আনাহত ইজিপ্তৰ মালিকা এল কাৰাক্সীৰ মুখামুখি হ'ব। ছেমিফাইনেলত মালিকা এল কাৰাকচিয়ে হংকঙৰ হেলেন টাঙক ৩-১ ফলাফলত পৰাস্ত কৰে। উল্লেখ্য যে বিশ্ব জুনিয়ৰ স্কোৱছ চেম্পিয়নশ্বিপৰ পিছতে ব্ৰিটিছ জুনিয়ৰ অ'পেনক দ্বিতীয় সৰ্বাধিক সন্মানীয় জুনিয়ৰ অ'পেন স্কোৱছ চেম্পিয়নশ্বিপ হিচাপে গণ্য কৰা হয়।

০০০০০০

যোৰহাট দৃষ্টিহীন বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে যোৱা ৩ আৰু ৪ তাৰিখে দৃষ্টিবাধাগ্ৰস্তসকলৰ শিক্ষা পদ্ধতিৰ উদ্ভাৱক লুই ব্ৰেইলৰ জন্মদিন উদযাপন কৰা হয়। লুই ব্ৰেইল উদযাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত অঞ্চলটোৰ বিভিন্ন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আয়োজকসকলে এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব্ৰেইল ৰাইটিং, কুইজ প্ৰতিযোগিতা, কবিতা আবৃত্তি, দেশপ্ৰেমমূলক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০০

বতৰৰ বতৰা-

বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত বতৰ ফৰকাল হৈ থাকিব। পুৱা আৰু সন্ধিয়াৰ ভাগলৈ অসমৰ লগতে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু অংশত ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা আছে।

বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া বতৰৰ আগলি বতৰা অনুসৰি আজি গুৱাহাটীৰ আকাশ ফৰকাল থাকিব। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০

নলবাৰীৰ মুগকুছি নিবাসী ভাৰতী দেৱীৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৫ বছৰ।

০০০০০০

সমাপ্ত